**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-05-2026 **Time :** 0755 Hrs.

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি দ্বিতীয়দিনা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সংবিধানৰ ১৭৬ (১) অনুচ্ছেদৰ অধীনত ভাষণ আগবঢ়াব। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণ সন্দৰ্ভত ধন্যবাদসূচক প্ৰস্তাৱ দিয়া হ'ব।

অধিৱেশনৰ কালি প্ৰথম দিনা বিৰোধী পক্ষৰ ২৪ গৰাকী বিধায়কক ধৰি মুঠ ১২৬ গৰাকী নৱ-নিৰ্বাচিত বিধায়কে শপত গ্ৰহণ কৰে। বিধানসভাৰ ইতিহাসত নতুন অধ্যায় সূচনা কৰি প্ৰথমবাৰৰ বাবে বিধায়কসকলে অষ্টম অনুসূচী বহিঃৰ্ভূত ভাষাত শপতগ্ৰহণ কৰে।

শাসনাধিষ্ঠিত এন ডি এ মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থী তথা ভৱানীপুৰ সৰভোগ সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱাত মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰী দাসক অভিনন্দন জনায়। লোকসভাৰ অধ্যক্ষ ওম বিৰলাইও অসম বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱাৰ বাবে ৰণজিৎ কুমাৰ দাসক অভিনন্দন জনায়।

অধিৱেশনত অহা ২৫ মে'ত ৰাজ্যপালৰ ভাষণক লৈ বিতৰ্ক অনুষ্ঠিত হ'ব। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব।

ooooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত কালি এটা বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। অসমৰ বিশিষ্ট ভাষাবিদ, লোক-সংস্কৃতিৰ গৱেষক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° উপেন ৰাভা হাকাচামে অসমীয়া নৱপ্ৰজন্মৰ ভাষা শীৰ্ষক বক্তৃতা প্ৰদান কৰে। যুৱ-প্ৰজন্ম প্ৰসংগৰে আৰম্ভ কৰা বক্তৃতাটি অধ্যাপকগৰাকীয়ে বৰ্তমান যুগত অসমীয়া ভাষাই কেনেদৰে দ্ৰুত গতিত ৰূপ সলাইছে সেই সন্দৰ্ভত উদাহৰণসহ আলোচনা কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু শতাধিক শিক্ষাৰ্থীয়ে এই বক্তৃতা অনুষ্ঠানত অংশগ্ৰহণ কৰে।

ooooooo

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত দেশজুৰি চলি থকা জনভাগীদাৰী অভিযানৰ অংশ হিচাপে কালি নগাঁও জিলাৰ কঠিয়াতলী উন্নয়ন খণ্ডৰ অন্তৰ্গত কঠিয়াতলী আৰু দক্ষিণ নৰ্নৈ পঞ্চায়তত প্ৰায় দুই শতাধিক ৰোগীক ঔষধ যোগান ধৰা হয়। এই কাৰ্যসূচীত চিকিৎসকৰ নেতৃত্বত স্বাস্থ্যকৰ্মীৰ এটা দলে প্ৰায় ডেৰ শতাধিক ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰে। মৰিগাঁও জিলাৰ চৰাইবাহী ভোমোৰাগুৰিৰ অন্তৰ্গত নাট্যচ'ৰাত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাখনত বিভিন্ন চৰকাৰী জনকল্যাণমূলক আঁচনি সম্পৰ্কে সজাগতা সৃষ্টিৰ লগতে তৃণমূল পৰ্যায়ত যোগ্য হিতাধিকাৰীসকলে যাতে এই আঁচনিসমূহৰ সুবিধা লাভ কৰে তাৰ বাবে জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়।

ooooooo

সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাই চহৰখনৰ সামাজিক পৰিৱেশ বিনষ্ট কৰিব পৰা প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবীৰে জিলা আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকে চহৰখনৰ মাজমজিয়াত অৱস্থিত মাদক দ্ৰব্যৰ বিপনী আৰু পাবসমূহত নিশা ১০ বজাৰ পাছত হোৱা ডিজে পাৰ্টিসমূহে অসামাজিক পৰিৱেশৰ সৃষ্টি কৰা বুলি অভিযোগ কৰে। এনে ঘটনাই সাধাৰণ ৰাইজ, ছাত্ৰ সমাজ আৰু

অভিভাৱকসকলক গভীৰভাৱে উদিগ্ন কৰিছে বুলি তেওঁলোকে দাবী কৰে। এনে প্ৰতিষ্ঠানসমূহত নিশা দেৰিলৈকে মাদক দ্ৰব্যৰ প্ৰচলনৰ ফলত মাৰপিটৰ দৰে ঘটনা, পথ দুৰ্ঘটনা, অসামাজিক আঁচৰণ আদিয়ে সাধাৰণ নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত উচিত ব্যৱস্থা গ্ৰহণেৰে অসমৰ দ্বিতীয়খন মহানগৰী ডিব্ৰুগড়ক আদৰ্শ মহানগৰ হিচাপে গঢ়ি তোলা হ'ব বুলি সদৌ ডিব্ৰুগড় ছাত্ৰসন্থাই আশা প্ৰকাশ কৰে।

০০০০০০০

মাজুলী জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত সুভ্ৰম আদিত্য বৰাৰ নেতৃত্বত গঠিত কৰ্মবাহিনীৰ এটা দলে কালি কমলাবাৰী অঞ্চলৰ পাইকাৰী আৰু খুচুৰা বজাৰ আকস্মিকভাৱে পৰিদৰ্শন কৰে। দলটোৱে সামগ্ৰীৰ মজুত, মূল্যসুচী বোৰ্ড, ট্ৰেড লাইছেন্স আদি পৰীক্ষা কৰাৰ লগতে ব্যৱসায়ীসকলক প্ৰতিদিনে মূল্য তালিকা প্ৰদৰ্শন কৰিবলৈ আৰু বেচা-কিনাৰ সঠিক ৰচিদ নিয়ন্ত্ৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। পৰিদৰ্শনকালত ব্যৱসায়ীসকলক নিৰ্ধাৰিত সময়ৰ ভিতৰত সকলো চৰকাৰী অনুজ্ঞাপত্ৰ নবীকৰণ কৰিবলৈ আহ্বান জনোৱা হয়। তদুপৰি বজাৰত মূল্য সুস্থিৰ ৰাখিবলৈ আৰু সামগ্ৰীৰ অবৈধ মজুতকৰণ বা ক'লা বজাৰৰ পৰা বিৰত থাকিবলৈ কঠোৰ সকীয়নি দিয়া হয়।

০০০০০০০

বিশিষ্ট সংস্কৃত পণ্ডিত, অধ্যাপক ৰাজেন্দ্ৰ নাথ শৰ্মাক ২০২৫ বৰ্ষৰ আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰা হৈছে। সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত, প্ৰথম অসমীয়া প্ৰশাসনিক বিষয়া আনন্দৰাম বৰুৱাৰ ১৭৬ সংখ্যক জয়ন্তী উপলক্ষে কালি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত স্মৃতিচাৰণ সভাত তেওঁক এই বঁটা প্ৰদান কৰা হয়। আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ উদ্যোগত সভাত আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ কাৰ্যকৰী সমিতিৰ অধ্যক্ষ তাৰিণীকান্ত গোস্বামী আৰু সঞ্চালক ড° সুদেষ্ণা ভট্টাচাৰ্যই অধ্যাপকগৰাকীক এই বঁটা প্ৰদান কৰে। এই বঁটাত আছে- নগদ এক লাখ টকা, এখন শৰাই, প্ৰশস্তিপত্ৰ, চেলেংচাদৰ, গামোচা আৰু কিতাপৰ টোপোলা।

০০০০০০০

**সমাপ্ত**